No. of Printed Pages : 4

**FAS**

00043

# Foundation Course : ASSAMESE

## Term-End Examination

## June, 2012

## Course Code : FAS

*Time : 2 hours* *Maximum Marks : 50*

প্ৰশ্নবোৰৰ পঢ়ি উত্তৰ লিখক -

### ক - শাখা

**1.** সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক- **1x5=5**

(a) শ্ৰীমন্ত শঙ্কৰদেৱে 'চিহ্নযাত্ৰা' ভাওনা কিদৰে পাতিছিল?

(b) চাৰ্বাকসকলৰ মতে জগত গঠনৰ মূল উপাদান কি কি?

(c) মানুহৰ সামাজিক জীৱনৰ সৰ্বোচ্চ সংগঠন কি আৰু ইয়াৰ প্ৰধান উদ্দেশ্য কি?

(d) আফগান বীৰ শেৰছাহে হিন্দু, বৌদ্ধ আৰু মুছলমানৰ স্থাপত্য শিল্পৰ সংমিশ্ৰনেৰে সজা বিখ্যাত মছজিদটো কি?

(e) কম্পিউটাৰৰ প্ৰথম আৰ্হি কোনে কত কেতিয়া উলিয়ায়?

**2.** ওলৰ প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পত শুদ্ধ চিন (✓) দিয়ক- **1x5=5**

(a) কোনজন প্ৰাক-শঙ্কৰী কবি?

(i) হেম সৰস্বতী ( )

(ii) ৰাম সৰস্বতী ( )

(iii) অনন্ত কন্দলি ( )

(b) কিহে মানুহৰ বেশভূষাৰ পৰিৱৰ্তন আনে?

(i) মানুহে ( )

(ii) বৰষুণে ( )

(iii) চাৰিটা ঋতুৱে ( )

(c) প্ৰাচীন নলান্দা বিশ্ববিদ্যালয়ৰ সংস্কাৰ কৰিছিল -

(i) মৌৰ্য বংশৰ ৰজাসকলে ( )

(ii) পাল বংশৰ ৰজাসকলে ( )

(iii) সেন বংশৰ ৰজাসকলে ( )

(d) আজাদ হিন্দ ফৌজ কোনে স্থাপনা কৰিছিল?

(i) নেতাজী সুভাষ চন্দ্ৰ বোসে ( )

(ii) ভগত সিংহে ( )

(iii) চন্দ্ৰ শেখৰ আজাদে ( )

(e) ভাৰতৰ জনসংখ্যা অত্যধিক বৃদ্ধি হোৱাৰ বাবে জনমূৰি খাদ্য প্ৰাপ্তি

(i) বাঢ়ি গৈছে ( )

(ii) পূৰ্বৰ দৰে আছে ( )

(iii) কমি গৈছে ( )

3. 'চামুৰাই' কবিতাত বৰ্ণিত শিখ বীৰৰ ত্যাগৰ গাথা চমুকৈ বৰ্ণনা কৰক। 5

অথবা

সপ্ৰসংগ ব্যাখ্যা কৰক -

প্ৰদ্যুম্ন লিখিল যেৱে শ্বশুৰ বুলিয়া লাজে
মাথে উষা বস্ত্ৰ লৈলা তুলি।
অনিৰুদ্ধ লিখিবাৰ দেখি উষা বৰনাৰী
ধৰিবাক চাহে আঙ্কোৱালি॥

4. যিকোনো পাঁচটা প্ৰশ্নৰ সংক্ষেপে উত্তৰ লিখক- 2x5=10

(a) চৰ্যাপদক কোন কোন ভাষাৰ পূৰ্ব নিদৰ্শন বুলি দাবী কৰা হৈছে?

(b) হুচৰি আৰু বিহুগীতৰ মাজৰ পাৰ্থক্যৰ বিষয়ে লিখক।

(c) অসমৰ কোন কোন ঠাইত গুপ্ত যুগৰ শিল্পকলাৰ নিদৰ্শন পোৱা যায়?

(d) অসমীয়া তিৰোতাৰ সাজ-পোছাকৰ মিল কাৰ লগত দেখা যায়?

(e) কোন চনত কাৰ সভাপতিত্বত ক'ত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ অধিবেশনত বৃটিছ সাম্ৰাজ্যৰ সমুখত 'পূৰ্ণ স্বাধীনতা'ৰ দাবী কৰা হয়?

(f) ৰাষ্ট্ৰৰ নাগৰিক হিচাপে এজন ব্যক্তিয়ে কেনে ধৰনৰ অধিকাৰ উপভোগ কৰে?

(g) এচিয়াৰ কোন অঞ্চলত কেঞ্চাৰৰ বিশেষ প্ৰাদুৰ্ভাৱ দেখা যায়?

(h) সত্ৰীয়া চিত্ৰ আঁকিবলৈ কি কি ৰভৰ ব্যৱহাৰ কৰিছিল?

(i) অসমৰ বিভিন্ন জনগোষ্ঠীৰ সম্প্ৰীতিৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ কিবা ভূমিকা আছেনে?

খ-শাখা

5. যিকোনো পাঁচটা খণ্ড বাক্য ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ বাক্য ৰচনা কৰক- **1x5=5**

কুলাই পাচিয়ে নধৰা, আকাশ কুসুম কল্পনা কৰা, কনাৰ লাখুটি, খাৰ খোৱা জিভা, চমু মুদা কুলি, তপত ভাতৰ ধোৱাঁই খা, ৰাম-ৰাৱণৰ যুদ্ধ, হাত উজান দি।

6. তলৰ সংজ্ঞাবোৰৰ যিকোনো পাঁচটাৰ বিপৰীত লিংগ লিখক- **1x5=5**

আইতা, পুৰুষ, দতাঁল, মাষ্টৰ, ডাক্তৰ, বলদ, মহোদয়া।

7. মোবাইল ফোন হেৰোৱা বুলি স্থানীয় আৰক্ষী চকীত দিবলগীয়া এখন এজাহাৰৰ নমুনা প্ৰস্তুত কৰক। **5**

8. নিজে পঢ়া এখন প্ৰিয় গ্ৰন্থৰ বিষয়ে চমু ৰচনা লিখক। **10**

অথবা

ভাৰতবৰ্ষৰ বৰ্দ্ধিত জনসংখ্যাৰ সমস্যাৰ বিষয়ে আপোনাৰ দৃষ্টিভংগী দাঙি ধৰক।